তলৰ হাততকৈ ওপৰৰ হাত উত্তম।

আব্দুল্লাহ ইবনে ওমৰ -ৰাদ্বিয়াল্লাহু আনহুমাৰ পৰা বৰ্ণিত যে, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে এবাৰ মিম্বৰৰ ওপৰত থিয় হৈ চাদাক্বাহ সম্পৰ্কে
বৰ্ণনা কৰিলে, লগতে ভিক্ষাবৃত্তিৰ পৰা বিৰত থকা আৰু খুজি মাগি খোৱা সম্পৰ্কে
উল্লেখ কৰি ক'লেঃ "তলৰ হাততকৈ ওপৰৰ হাত উত্তম। ওপৰৰ হাত হৈছে দাতাৰ আৰু তলৰ হাত হৈছে ভিখাৰীৰ।"
[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে মিম্বৰৰ ওপৰত থিয় হৈ চাদাক্বাহ আৰু খুজি মাগি খোৱাৰ পৰা বিৰত থকা সম্পৰ্কে খুতবা প্ৰদান কৰি ক'লেঃ ওপৰৰ দানকাৰী আৰু ব্যয়কাৰী হাতখন আল্লাহৰ ওচৰত তলৰ ভিখাৰী হাততকৈ উত্তম তথা প্ৰিয়।

http://sunnah.global/hadeeth/as/show/3599